# 2026

## ASSAMESE

( Minor )

Paper : ASS4400604MN

( ভাষাবিজ্ঞান পৰিচয় )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) সংস্কৃত কি ধাতুৰ পৰা 'ভাষা' শব্দৰ উদ্ভৱ হৈছে?

(খ) ভাষাৰ এটা বৈশিষ্ট্য লিখা।

(গ) অসমীয়া ভাষাৰ এটা নাসিক্য ধ্বনিৰ উদাহৰণ দিয়া।

(ঘ) 'অষ্টাধ্যায়ী' ব্যাকৰণৰ ৰচক কোন?

(ঙ) অসমীয়া ভাষাৰ বচন ব্যাকৰণগত বিষয় হয়নে?

(চ) 'শূন্য প্ৰাকৃতি' কাক বোলে?

(ছ) ভাষাৰ স্বয়ংসম্পূৰ্ণ, বৃহত্তম একক কি?

(জ) 'ধ্বনিবিজ্ঞানৰ ভূমিকা' গ্ৰন্থখনৰ লেখক কোন?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) ধ্বনি আৰু বৰ্ণৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(খ) মানৱীয় ভাষাৰ দুটা বৈশিষ্ট্য লিখা।

(গ) অবিভাজ্য ধ্বনিৰ দুটা উদাহৰণ দিয়া।

(ঘ) ধ্বনিবিজ্ঞানৰ দুটা শাখাৰ নাম উল্লেখ কৰা।

(ঙ) মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতিৰ এটাকৈ উদাহৰণ দিয়া।

(চ) গঠনৰ ফালৰ পৰা অসমীয়া বাক্যৰ দুটা ভাগ উল্লেখ কৰা।

(ছ) IPAৰ সম্পূৰ্ণ ৰূপটো কি? এই ধ্বনিলিপিৰ উদ্ভাৱন কেতিয়া হৈছিল?

(জ) অসমীয়া ভাষাৰ দুটা উপভাষাৰ নাম লিখা।

(ঝ) ভাষা-ঋণৰ দুটা প্ৰকাৰ উল্লেখ কৰা।

(ঞ) *Assamese : Its Formation and Development* নামৰ গৱেষণা গ্ৰন্থখনৰ গ্ৰন্থকাৰ কোন? গ্ৰন্থখন প্ৰথম কোন চনত প্ৰকাশ হৈছিল?





৩। চমুকৈ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ পাৰ্থক্য লিখা।

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ এটি পৰিচয় দিয়া।

(গ) উচ্চাৰণকৰণ আৰু উচ্চাৰণস্থানৰ বিষয়ে এটি টোকা লিখা।

(ঘ) অসমীয়া ভাষাত বচন-নিৰপেক্ষ ৰূপ বুলিলে কি বুজা? আলোচনা কৰা।

(ঙ) উপাহিত বৰ্ণ (suprasegmental phoneme) কাক বোলে? অসমীয়া ভাষাত প্ৰয়োগ হোৱা উপাহিত বৰ্ণসমূহৰ বিষয়ে চমুকৈ লিখা।

(চ) অসমীয়া ভাষাৰ পূৰ্বসৰ্গ আৰু পৰসৰ্গৰ বিষয়ে চমুকৈ লিখা।

(ছ) ক্ৰেওল সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

(জ) অসমীয়া ভাষাৰ লিংগ প্ৰকৰণৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) ভাষাবিজ্ঞান বুলিলে কি বুজা? ভাষাবিজ্ঞানৰ শাখা-বিভাজন দেখুৱাই ঐতিহাসিক ভাষাবিজ্ঞানৰ বিষয়ে আলোচনা কৰা।

(খ) ধ্বনিবিজ্ঞান বুলিলে কি বুজা? ধ্বনিবিজ্ঞান (phonetics), বিশিষ্ট ধ্বনিবিজ্ঞান (phonemics) আৰু ধ্বনিতত্ত্ব (phonology)ৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) প্ৰাকৃতিবিজ্ঞান কাক বোলে? প্ৰাকৃতিবিজ্ঞানৰ আলোচ্য বিষয়সমূহৰ বিষয়ে আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? এই স্বৰধ্বনিসমূহক কি কি ভিত্তিত; কেনেদৰে শ্ৰেণীবিভাজন কৰা হৈছে, তালিকাভুক্ত কৰি আলোচনা কৰা।

(ঙ) ভাষাৰ ভিন্নতা সৃষ্টিৰ কাৰকসমূহৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰা।

★★★